**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 05-02-2026 **Time :** 1845 Hrs.

# Assamese Evening Bulletin

## Headlines

১। গৱেষণা আৰু ৰক্ষণাবেক্ষণৰ জৰিয়তে ভৱিষ্যত প্ৰজন্মলৈ বিশ্ব ঐতিহ্য ক্ষেত্ৰসমূহ সংৰক্ষণত গুৰুত্ব আৰোপ কৰিবলৈ মুখ্যমন্ত্ৰীৰ আহ্বান।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অহা ১৪ ফেব্ৰুৱাৰীত কেইবাটাও কাৰ্যসূচীৰে অসম আগমন। গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী সেতুকে ধৰি কেইবাটাও প্ৰকল্প উদ্বোধন।

৩। ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ অমূল্য সৃষ্টিৰাজিৰ সংৰক্ষণ আৰু ডিজিটেল ৰূপ প্ৰদানৰ উদ্দেশ্যে গুৱাহাটী বিশ্ববিদ্যালয় আৰু শিল্পীগৰাকীৰ পৰিয়ালৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰ।

৪। সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত অসম ৰাজ্যিক বিজেপিৰ ৰাজ্যজুৰি বুথ বিজয় অভিযান আৰম্ভ। ***আৰু***

৫। ৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাত কেৰালা আৰু ছাৰ্ভিছেছ ফাইনেলত প্ৰৱেশ।

ooooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি চৰাইদেউ জিলাত ইউনেস্ক'ই চৰাইদেউ মৈদামক বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতি দিয়া স্মাৰক ফলক উন্মোচন কৰে। স্মাৰক ফলক উন্মোচন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই স্বীকৃতি সদায়ে অসমৰ ইতিহাসৰ এটা সোণালী মূহুৰ্ত হৈ ৰ'ব। বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে চৰাইদেউ মৈদামৰ এই প্ৰাপ্তি ৰাজ্যখনৰ সমৃদ্ধ সভ্যতা, সংস্কৃতি আৰু ঐতিহ্যৰ প্ৰতি বিশ্ব সমাজৰ স্বীকৃতিৰ প্ৰতিফলন বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ গৱেষণা আৰু ৰক্ষণা বেক্ষণৰ জৰিয়তে এই ঐতিহ্য ভৱিষ্যত প্ৰজন্মলৈ সংৰক্ষণ কৰাত সকলোকে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়।

বাইট

ড০ শৰ্মাই আজি চৰাইদেউ মৈদামক্ষেত্ৰত পৰম্পৰাগত টাই আহোম ৰীতি নীতিৰে বানফি পুজাত অংশগ্ৰহণ কৰি ৰাজ্যবাসীৰ মংগল কামনা কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে ইয়াৰ পূৰ্বে আজি নাজিৰা বিধান সভা সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত চেক বিতৰণ কৰে। সমষ্টিটোৰ ২৬ হাজাৰ ১৪১ গৰাকী আত্মসহায়ক গোটৰ সদস্যৰ মাজত উদ্যমিতা পুঁজিৰ ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰা হয়। ড° শৰ্মাই মহিলাসকলক এই ধনৰাশিৰ সদ্ব্যৱহাৰেৰে লাখপতি বাইদেউ হিচাপে নিজকে গঢ়ি তোলাৰ প্ৰয়াস কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে ৰাজ্যৰ বিকাশ আৰু সমৃদ্ধিৰ বাবে মহিলাসকলক অগ্ৰাধিকাৰ দি ৰূপায়ন কৰা এই আঁচনিৰ জৰিয়তে ৰাজ্যখনৰ প্ৰায় ৩২ লাখ মহিলা উপকৃত হ'ব।

(বাইট)

মুখ্যমন্ত্ৰী শৰ্মাই আজি যোৰহাট জিলাতো আত্মসহায়ক গোটৰ সদস্যসকলৰ মাজত উদ্যমিতা পুজিৰ চেক বিতৰণ কৰে।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ১৪ ফেব্ৰুৱাৰীত কেইবাটাও কাৰ্যসূচীৰে অসমলৈ আহিব। শ্ৰী মোদীয়ে প্ৰথমে গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেতু উদ্বোধন কৰিব। তাৰ পাছত প্ৰধানমন্ত্ৰীগৰাকীয়ে পলাশবাৰীত ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান - আই আই এমৰ অস্থায়ী চৌহদৰ শুভাৰম্ভ কৰিব। তেওঁ লগতে গুৱাহাটী মহানগৰীৰ বাবে **১০০ খন বৈদ্যুতিক বাছ** মুকলি কৰিব। গুৱাহাটীৰ পৰা প্ৰধানমন্ত্ৰীগৰাকী ডিব্ৰুগড় জিলাৰ মৰাণলৈ যাব। তাত তেওঁ সুৰক্ষা আৰু জৰুৰীকালীন ব্যৱস্থাপনাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে মৰাণত নিৰ্মিত জৰুৰীকালীন বিমান অৱতৰণ **ৰান্‌ৱে ই এল এফ,** আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। উল্লেখযোগ্য যে মৰাণৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ ৰচী পথাৰলৈকে ৪ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই পথছোৱা

যুদ্ধকালীন পৰিস্থিতি, প্ৰাকৃতিক দুৰ্যোগ বা জৰুৰী অৱস্থাত নিমিষতে বিমান বন্দৰলৈ ৰূপান্তৰিত কৰিব পৰা যাব। প্ৰধানমন্ত্ৰীৰ আগমনৰ পৰিপ্ৰেক্ষিতত ডিব্ৰুগড় জিলা প্ৰশাসনে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। জিলা প্ৰশাসনে এটা নিৰ্দেশযোগে কাইলৈৰ পৰা মৰাণৰ ১১ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱাত সকলো যান-বাহনৰ চলাচল সাময়িকভাৱে বন্ধ ৰখা হ'ব বুলি জাননী জাৰি কৰিছে। বন বিভাগে পথৰ দাঁতিসমূহ পৰিষ্কাৰ কৰাৰ লগতে বিমানৰ উৰণ-অৱতৰণত বাধাৰ সৃষ্টি কৰিব পৰা ম'বাইল টাৱাৰসমূহ স্থানান্তৰ কৰিছে। অসম চৰকাৰৰ মুখ্য সচিব ৰবি কোটা, আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিং আৰু জিলা আয়ুক্ত বিক্ৰম কৈৰীকে ধৰি অন্যান্য শীৰ্ষ বিষয়াসকলে আজি মৰাণৰ ই এল এফ পৰিদৰ্শন কৰি যাৱতীয় প্ৰস্তুতিৰ পৰ্যালোচনা কৰে।

**বাইট-** হৰমিত সিং

১৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰীয়ে বিমানযোগে ৰাষ্ট্ৰীয় ঘাইপথত অৱতৰণ কৰাৰ পাছতে যুঁজাৰু বিমানৰ কৌশল প্ৰদৰ্শন উপভোগ কৰিব। ৰাফেল, ছুখয়, মিগ্, তেজস, হাৰ্কিউলিচ আৰু এ এন থাৰ্টি টু বিমানৰ উৰণ-অৱতৰণেৰে সামৰিক কৌশল প্ৰদৰ্শন কৰা হ'ব। প্ৰধানমন্ত্ৰীয়ে ইয়াৰ পাছতে আয়োজিত এখন জনসভাত ভাষণ দিব।

০০০০০০০

ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ অমূল্য সৃষ্টিৰাজিৰ সংৰক্ষণ, নথিভুক্তকৰণ আৰু ডিজিটেল ৰূপ প্ৰদানৰ উদ্দেশ্যে আজি গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগ আৰু শিল্পীগৰাকীৰ পৰিয়ালবৰ্গৰ মাজত এখন ঐতিহাসিক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগৰ সহকাৰী অধ্যাপিকা ড০ ভাৰতী ভৰালী আৰু ছাত্ৰী সংগীতা বৰাই জয়মতী চলচ্চিত্ৰ সম্পৰ্কীয় গৱেষণাৰ সময়ত লাভ কৰা চলচ্চিত্ৰ পাণ্ডুলিপি, চিঠি-পত্ৰ, নাটক, কবিতা আৰু অন্যান্য বিৰল নথিপত্ৰসমূহ ভৱিষ্যৎ প্ৰজন্মৰ বাবে কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰত সংৰক্ষণৰ দিশৰ পৰা এই পদক্ষেপ গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। চুক্তি স্বাক্ষৰ অনুষ্ঠানত জ্যোতি প্ৰসাদ আগৰৱালাৰ পৰিয়ালৰ সদস্য, বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ননী গোপাল মহন্ত, শৈক্ষিক পঞ্জীয়ক অধ্যাপক ৰাজীৱ সন্দিকৈ, কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰৰ গ্ৰন্থাগাৰিক ড০ প্ৰশান্ত ডেকা, যোগাযোগ আৰু সাংবাদিকতা বিভাগৰ মুৰব্বী অধ্যাপক চন্দন কুমাৰ গোস্বামী আৰু অধ্যাপক অংকুৰণ দত্ত প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি অসম ৰাজ্যিক বিজেপিয়ে আজি ৰাজ্যজুৰি বুথ বিজয় অভিযান আৰম্ভ কৰিছে। বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই মঙলদৈ বিধানসভা সমষ্টিৰ ১৫১ আৰু ১৫২ নম্বৰ বুথৰ পৰা আনুষ্ঠানিকভাৱে এই অভিযানৰ শুভাৰম্ভ কৰে। অহা ১১ ফেব্ৰুৱাৰীলৈকে চলিবলগীয়া এই অভিযানত ২৬ হাজাৰৰো অধিক বুথ সামৰি লোৱা হ'ব। এই অভিযানৰ অধীনত বুথ কৰ্মীসকলক সাংগঠনিক কাম-কাজসমূহ শক্তিশালী কৰি তুলিবলৈ শ্ৰীশইকীয়াই আহ্বান জনায়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জালুকবাৰী সমষ্টিৰ অন্তৰ্গত আজাৰাৰ ৩২ নম্বৰ বুথত বুথ বিজয় অভিযানত অংশ লয়। ৰাজ্যিক বিজেপিৰ নিৰ্বাচনী ব্যৱস্থাপনা সমিতিৰ নেতা প্ৰদান বৰুৱাৰ সৈতে এই অভিযানত অংশ লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে দলীয় কৰ্মীসকলৰ সৈতে মত বিনিময় কৰে। উল্লেখযোগ্য যে বুথ বিজয় অভিযানৰ অধীনত প্ৰতিটো সমষ্টিৰ পৰিয়ালসমূহক একোটাকৈ ষ্টিকাৰ, এখন বিজেপিৰ পতাকা আৰু চৰকাৰৰ সফলতা সম্পৰ্কীয় এখন পত্ৰিকা প্ৰদান কৰা হ'ব। তদুপৰি অনুমতি সাপেক্ষে দলীয় কৰ্মীসকলে ঘৰে ঘৰে গৈ পতাকা উত্তোলন কৰিব।

ইপিনে, ভাৰতীয় নিৰ্বাচন আয়োগে আজি নতুন দিল্লীত অসম, কেৰালা, পুডুচেৰী, তামিলনাডু আৰু পশ্চিমবংগৰ সমাগত বিধানসভা নিৰ্বাচনৰ বাবে কেন্দ্ৰীয় পৰ্যবেক্ষক নিযুক্তি সন্দৰ্ভত আজি এখন বৈঠক অনুষ্ঠিত কৰে। বৈঠকত ৭১৪ জন সাধাৰণ পৰ্যবেক্ষক, ২৩৩ জন আৰক্ষী পৰ্যবেক্ষক আৰু ৪৯৭ জন ব্যয় পৰ্যবেক্ষককে ধৰি মুঠ এহেজাৰ ৪৪৪ জন বিষয়াই অংশ লয়।

০০০০০০০

কামৰূপ জিলাত আজি সমাগত বিধান সভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ই ভি এমৰ প্ৰদৰ্শনী আৰু সজাগতা অভিযান আৰম্ভ কৰা হয়। জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই সংহত জিলা আয়ুক্তৰ কাৰ্যালয় চৌহদত এই ই ভি এম প্ৰদৰ্শনী কেন্দ্ৰ মুকলি কৰে।

এই অভিযানৰ জৰিয়তে জিলাখনৰ প্ৰতিটো অঞ্চলত ভ্ৰাম্যমান ই ভি এম প্ৰদৰ্শন ভেনৰ জৰিয়তে ভোট দাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হ'ব। বৰপেটা নিৰ্বাচনী জিলাতো আজি ই ভি এম প্ৰদৰ্শন তথা সজাগতা অভিযান আৰম্ভ হৈছে। জিলা নিৰ্বাচনী বিভাগৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচীত বিশেষ বাহনৰ জৰিয়তে বজাৰ, বাছ্আস্থান আদি ৰাজহুৱা স্থানত ই ভি এমৰ সঠিক ব্যৱহাৰ সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰা হৈছে। তদুপৰি বৰপেটা নিৰ্বাচন বিষয়াৰ কাৰ্যালয় আৰু ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত ই ভি এমৰ ব্যৱহাৰ সম্পৰ্কীয় সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। ৰাজনৈতিক দলসমূহকো ই ভি এমৰ সুৰক্ষাৰ দিশবোৰ অৱগত কৰি ইয়াৰ ব্যৱহাৰিকভাৱে প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। পশ্চিম কাৰ্বি আংলং জিলাত অহা ৭ ফেব্ৰুৱাৰীত ই ভি এম প্ৰদৰ্শন তথা সজাগতা অভিযান আৰম্ভ হ'ব। জিলাখনৰ ৰংখাং সমষ্টিৰ বাবে ডংকামোকাম ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় চৌহদ আৰু আমৰি সমষ্টিৰ বাবে হামৰেণৰ জিলা আয়ুক্ত কাৰ্যালয় চৌহদত ই ভি এম প্ৰদৰ্শন কৰা হ'ব।

0000000

সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বঙাইগাওঁ জিলাৰ জিলা দণ্ডাধীশে এটা নিৰ্দেশযোগে ব্যক্তিগত অনুজ্ঞাপত্ৰ থকা মাৰনাস্ত্ৰসমূহ নিকটবৰ্তী আৰক্ষী থানাত শীঘ্ৰে জমা দিবলৈ জাননী জাৰি কৰিছে। অৱশ্যে বেংক বা আন বিত্তীয় প্ৰতিষ্ঠানৰ মাৰনাস্ত্ৰসমূহ জমা দিয়াৰ প্ৰয়োজন নাই বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে। কোনো ব্যক্তি বা প্ৰতিষ্ঠানে যদি মাৰনাস্ত্ৰ জমা দিব নিবিচাৰে তেনেহলে তেওঁলোকে নিজৰ মাৰনাস্ত্ৰৰ অনুজ্ঞাপত্ৰৰ সবিশেষ উল্লেখ কৰি জমা নিদিয়াৰ লিখিত কাৰণ দৰ্শাই জিলা দণ্ডাধীশক অৱগত কৰিব লাগিব বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে।

0000000

কাৰ্বি আংলং জিলাৰ ডকমকাত ২০১৮ চনত সংঘটিত অভি-নীল হত্যাকাণ্ডৰ গোচৰৰ অন্তিম শুনানি আজিৰে পৰা নগাঁৱৰ চেচন আদালতত অনুষ্ঠিত হৈছে। অহা ৭ ফেব্ৰুৱাৰীলৈ হ'বলগীয়া এই শুনানিৰ অন্তত আদালতে চূড়ান্ত ৰায় প্ৰদান কৰিব। ৭ বছৰৰ পাছত এই গোচৰৰ অন্তিম শুনানি প্ৰক্ৰিয়া অনুষ্ঠিত হোৱাক লৈ অভিজিত আৰু নীলোৎপল নামৰ ভুক্তভোগী যুৱক দুজনৰ পৰিয়াল আশাবাদী বুলি প্ৰকাশ কৰিছে।

বাইট (পিতৃ)

0000000

কেন্দ্ৰীয় চৰকাৰ, নাগালেণ্ড চৰকাৰ আৰু ইষ্টাৰ্ণ নাগালেণ্ড পিপ্‌লছ অৰ্গেনাইজেশ্যনে নাগালেণ্ড সীমান্ত আঞ্চলিক প্ৰাধিকৰণ গঠনৰ বাবে এখন চুক্তিত স্বাক্ষৰ কৰিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত আজি নতুন দিল্লীত এই চুক্তি স্বাক্ষৰিত হয়। নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ' অনুষ্ঠানত উপস্থিত থাকে। চুক্তি স্বাক্ষৰ অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে এয়া নাগালেণ্ডৰ জনসাধাৰণৰ বাবে ঐতিহাসিক ক্ষণ। তেওঁ কয় যে চৰকাৰে এই চুক্তিৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগী অনুযায়ী সংঘৰ্ষমুক্ত, হিংসামুক্ত আৰু উন্নত উত্তৰ-পূবৰ দিশে এঢাপ আগুৱালে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ বিষয়াসকলৰ প্ৰশংসা কৰি শ্ৰীশ্বাহে কয় যে তেওঁলোকে ইষ্টাৰ্ণ নাগালেণ্ড পিপ্‌লছ অৰ্গেনাইজেশ্যন আৰু নাগালেণ্ড চৰকাৰৰ মাজত সেতু হিচাপে কাম কৰি এই চুক্তি সম্ভৱ কৰি তুলিছে। তেওঁ লগতে পূব নাগালেণ্ডৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে সম্ভৱপৰ সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াব বুলি আশ্বাস দিয়ে।

নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ'ই কয় যে এই ঐতিহাসিক চুক্তিখনৰ জৰিয়তে সৰ্বাত্মক তথা সম-শাসন সুনিশ্চিত কৰাৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰতিফলিত হৈছে।

00000

মেঘালয়ৰ টাছকুৰ ছুটাংগাত এটা কয়লা খনিত হোৱা বিস্ফোৰণত অসমৰ ১০জন শ্ৰমিকে প্ৰাণ হেৰুৱাইছে। নিহতসকলৰ ভিতৰত কাছাৰৰ পাঁচগৰাকী শ্ৰমিক আছে বুলি জানিব পৰা গৈছে। বিস্ফোৰণৰ ফলত পাহাৰৰ এটা অংশ খহি পৰাৰ ফলতেই

এই ঘটনাটো ঘটে। কয়লা খনিটোত এতিয়াও ভালেকেইজন শ্ৰমিক আবদ্ধ হৈ থকা বুলি আশংকা কৰা হৈছে। উদ্ধাৰকাৰী দল ইতিমধ্যে ঘটনাস্থলীলৈ উপস্থিত হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতবৰ্ষ গোলকীয় পৰ্যায়ত প্ৰতিযোগিতাৰ বাবে সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে আৰু প্ৰবল আত্মবিশ্বাস আৰু নিৰ্ণায়ক নীতি সংস্কাৰেৰে নিজকে বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থাৰ দেশৰূপে প্ৰতিষ্ঠা কৰাৰ দিশে ধাৱমান হৈছে বুলি মন্তব্য কৰে। ৰাজ্যসভাত ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত হোৱা বিতৰ্কৰ উত্তৰ দি শ্ৰীমোদীয়ে আজি কয় যে চৰকাৰ সংস্কাৰ, প্ৰদৰ্শন আৰু ৰূপান্তৰৰ দৃষ্টিভংগীৰে আগবাঢ়িছে। ইউৰোপীয় সংঘ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰকে ধৰি কেইবাখনো দেশৰ সৈতে সম্পাদিত বাণিজ্য চুক্তি সন্দৰ্ভত শ্ৰীমোদীয়ে কয় যে দেশে ৯খন ৰাষ্ট্ৰৰ সৈতে বাণিজ্য চুক্তি চূড়ান্ত কৰিছে আৰু অলপতে ইউৰোপীয় সংঘৰ ২৭খন দেশৰ সৈতে বৃহৎ চুক্তি সম্পাদিত হৈছে। এই চুক্তিক তেওঁ সকলো চুক্তিৰ মাতৃস্বৰূপ বুলি অভিহিত কৰে।

০০০০০০০

ৰাজ্যত বিধানসভা নিৰ্বাচন সমাগত। নিৰ্বাচনৰ প্ৰস্তুতিৰ আলেখ-লেখ আৰু প্ৰাৰ্থিত্বকেন্দ্ৰিক কুচকাৱাজ সন্দৰ্ভত অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত আকাশবাণী গুৱাহাটী কেন্দ্ৰই দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত কেইবাগৰাকীও বিশেষজ্ঞৰ লগতে আকাশবাণীৰ সংবাদদাতাসকলে ভাগ ল'ব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

ধেমাজি জিলাৰ ঢকুৱাখনাত অনুষ্ঠিত ৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাত কেৰালা আৰু ছাৰ্ভিছেচ ফাইনেলত প্ৰৱেশ কৰিছে। আজি প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত ছাৰ্ভিচেছে ৰে'লৱেক ২-০ গ'লত পৰাস্ত কৰে। খেলখনত ছাৰ্ভিচেছৰ হৈ অভিষেক পাৱাৰে দুয়োটা গ'ল কৰে। দ্বিতীয়খন ছেমি ফাইনেলত কেৰালাই পাঞ্জাবৰ বিৰুদ্ধে ৪-০ গ'লত জয়লাভ কৰে।

উল্লেখযোগ্য যে সন্তোষ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ইতিহাসত পাঞ্জাব দলটো ৮ বাৰকৈ চূড়ান্ত বিজয়ী আৰু বিজিত দল হিচাপে পৰিগণিত হোৱাৰ বিপৰীতে কেৰালা দলে ৭ বাৰ বিজয়ী আৰু ৯ বাৰ বিজিতৰ সন্মান লাভ কৰিছে। একেদৰে ছাৰ্ভিচেছ দলটো ৭ বাৰ বিজয়ী, ৫ বাৰ বিজিত আৰু ৰে'লৱে দলে ৩ বাৰ বিজয়ী আৰু ৬ বাৰ বিজিত হোৱাৰ সন্মান অৰ্জন কৰিছে।

০০০০০০০

ভাৰত কাইলৈ জিম্বাবুৱেৰ হাৰাৰেত হ'বলগীয়া ১৯ বছৰ অনুৰ্ধ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ ১ বজাত আৰম্ভ হ'ব। ভাৰতে কালি হাৰাৰেত অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত আফগানিস্তনক ৭ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। একেদৰে ইংলেণ্ডে প্ৰথমখন ছেমি ফাইনেলত যোৱা বাৰৰ চেম্পিয়ন অষ্ট্ৰেলিয়াক ২৭ ৰাণত পৰাভুত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। ভাৰতীয় দলটো এইবাৰৰ প্ৰতিযোগিতাত এতিয়ালৈকে এখনো খেলত পৰাজিত হোৱা নাই। ভাৰত প্ৰতিযোগিতাৰ ইতিহাসত সবাতোকৈ সফল দল। ভাৰতে এতিয়ালৈকে অভিলেখ সংখ্যক পঞ্চম বাৰৰ বাবে প্ৰতিযোগিতাৰ খিতাপ জখল কৰিছে।

০০০০০০০

**সমাপ্ত**